আজি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন যুৱক আহত হয়। আজি দিনৰ ১২ মান বজাত মঠখৰীয়া বিজি হাউছৰ পৰা মঠখৰীয়া অসেইগেট দিশে আহি থকা এ এছ-০১ ইউ-৩৫৫১ নম্বৰৰ ট্ৰাকখনে অতিপথৰ গতিবেগসহকাৰে নিয়ন্ত্ৰণ হেৰুৱাই এ এছ-০১ বিভি-৬৪৩৩ নম্বৰৰ মটৰচাইকেলখনত খুন্দা মাৰে। ফলত মটৰচাইকেল আৰোহী বিশ্বজিৎ বৰ্মন থাইপথত ছিটিকি পৰে আৰু গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে তৎক্ষণাতে আঘাতপ্ৰাপ্ত বাইক আৰোহী বিশ্বজিৎ বৰ্মনক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।



অম্বুবাচী মেলাৰ অন্তিম দিনা কামাখ্যাধামত সহধৰ্মিণীৰ সৈতে ৰাজ্যপাল পি বি আচাৰ্য, দেওবাৰে

# জিএনআৰচিত মৃগী ৰোগ চিকিৎসা শিক্ষা অনুষ্ঠান

মহানগৰ বাৰ্তা, ২৬ জুন ঃ মৃগী ৰোগ সম্পৰ্কে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি কৰাৰ উদ্দেশ্যে কালি অসমৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসা প্ৰতিষ্ঠান জিএনআৰচি হাস্পতালৰ দিছপুৰ চৌহদৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হয় মৃগী ৰোগৰ ওপৰত এক অবিৰত চিকিৎসা শিক্ষা অনুষ্ঠানৰ। উক্ত অনুষ্ঠানত আন আন বিশেষজ্ঞসকলৰ লগতে প্ৰায় ১০০ স্নায়ু আৰু শিশু ৰোগ বিশেষজ্ঞও উপস্থিত থাকে। তিৰুৱনন্তপুৰম শ্ৰীচিত্ৰা টিউচনেল ইনষ্টিটিউট অৱ মেডিকেল ছায়েন্স এণ্ড টেকনলজীৰ স্নায়ুৰোগ বিভাগৰ অধ্যক্ষ ডাঃ আশালতা ৰাধাকৃষ্ণনৰ তত্ত্বাৱধানত এই অবিৰত চিকিৎসা শিক্ষাৰ আয়োজন কৰা হৈছিল। মৃগী ৰোগ নিয়ন্ত্ৰণ আৰু সজাগতাৰ উদ্দেশ্যে তেওঁ আগবঢ়োৱা অৱদানৰ বাবে তেওঁক ২০০৯ চনত বুডাপেষ্টত অনুষ্ঠিত ২৮ সংখ্যক আন্তঃৰাষ্ট্ৰীয় মৃগী ৰোগ কংগ্ৰেছৰ দ্বাৰা 'ইয়ং ইনভেষ্টিগেটিভ এৱাৰ্ড' আৰু 'নেচনেল বায়' ছায়েন্স এৱাৰ্ড অৱ কেৰিয়াৰ ডেভেলপমেণ্ট ২০০১' লাভ কৰিছে। উক্ত অনুষ্ঠানত তেওঁ 'শিশুৰ মৃগী ৰোগ' আৰু 'মৃগী ৰোগত অস্ত্ৰোপচাৰ'ৰ প্ৰভাৱৰ ওপৰত বক্তব্য দাঙি ধৰে। উক্ত অনুষ্ঠানত জিএনআৰচি হাস্পতালৰ স্নায়ুৰোগ বিভাগৰ পৰামৰ্শদাতা ডাঃ প্ৰসেনজিৎ ডেকাই 'ইকুইট চিমটমেটিক চিজাৰ'ৰ বিষয়ে জনায় যে মৃগী ৰোগ কেৱল ফিট হোৱাতে সীমাবদ্ধ নহয়। বহু মৃগী ৰোগীয়ে অচিনাক্ত অৱস্থাতে থাকে। ফলত তেওঁলোক চিকিৎসাৰ পৰা বঞ্চিত হয়। কেৱল অসমতে ৩ লক্ষ লোক মৃগী ৰোগত আক্ৰান্ত। সেয়েহে এনে ধৰণৰ মৃগী ৰোগ নিৰ্মূল কৰাৰ উদ্দেশ্যে জিএনআৰচি হাস্পতাল, ছয়মাইলত বিনামূলীয়াকৈ মৃগী ৰোগ চিকিৎসা ক্লিনিকৰ আয়োজন কৰা হৈছে। ইতিমধ্যে ৪২জন লোকক চিকিৎসা প্ৰদান কৰা হৈছে।

অসমীয়া গীতক

# মন্দাক্ৰান্ত

মহানগৰ বাৰ্তা, ২৬ জুন ঃ বিশিষ্ট অন
শিল্পী কাঞ্চা দেৱীৰ নেতৃত্বত পৰিচ
অগ্ৰণী সংগীত কলা শিক্ষা প্ৰতি
মন্দাক্ৰান্তা সংগীত কাননৰ নৱম ব
গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰ অহা ১ৰ
১০ জুলাইলৈ অনুষ্ঠিত হ'ব। জন
পুৰণি অসমীয়া গীত, সৃষ্টিশীল নৃত্য
চিত্ৰাংকন আৰু চাৰুকলাক স
অনুষ্ঠিত কৰিবলৈ লোৱা এইবাৰৰ
গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰৰ বিষ
হ'ল বনকৌৱৰ আনন্দিৰাম দাসৰ জন
গীতিকবি পাৰ্বতি প্ৰসাদৰ
লুইতকোঁৱৰ কণ্ঠ বৰুৱা, কেশৱ ম
নৱকান্ত বৰুৱা আৰু সমসাময়িক
জনপ্ৰিয় সুমধুৰ অসমীয়া গীতসম
নৱপ্ৰজন্মৰ মাজত শুদ্ধভাৱে প্ৰচাৰ,
আৰু জনপ্ৰিয় কৰাৰ উদ্দেশ্যে আয়ো
'মন্দাক্ৰান্তা'ৰ এই বাৰ্ষিক প্ৰশি
কাৰ্যসূচীত আমন্ত্ৰিত বিশেষজ্ঞ হি

# টাউন ক্লাবত প্ৰদৰ্শিত এনিশাৰ ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত চুটি ছবি

মহানগৰ বাৰ্তা, ২৬ জুন ঃ সদৌ অসম চিনেমা প্ৰযোজক সন্থাই আজি গুৱাহাটী টাউন ক্লাবত এখন চুটি ছবি প্ৰদৰ্শন অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত ব'ষ্টনত অনুষ্ঠিত হোৱা ৪৫তম আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আৰু সপ্তম নাছিক চুটি ছবি মহোৎসৱত প্ৰদৰ্শিত শ্ৰেষ্ঠ চুটি ছবিৰ সন্মান লাভ কৰা এনিশা শৰ্মা প্ৰযোজিত আৰু পৰিচালিত 'এ ড্ৰীম নেভাৰ ডাইজ' প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত জ্যেষ্ঠ নাট্যকাৰ অৰুণ শৰ্মা, অভিনেত্ৰী চেতনা দাস, পৰিচালক হেমেন দাস, ডাঃ হিতেশ বৰুৱা, মনীষা হাজৰিকা, ড° অপৰাজিতা বৰগোহাঁই, হিতেশ ভট্টাচাৰ্য, এমিলী সিনহা, প্ৰযোজক গুৰ্বীন বসুমতাৰী, মৃণাল দাস, বিনয় শৰ্মাৰ লগতে বহুত বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত সন্থাৰ সাধাৰণ সম্পাদিকা জোনমণি দেৱী খাউণ্ডে সন্থাই পৰৱৰ্তী সময়ত এনে ছবি প্ৰদৰ্শন কাৰ্যসূচী অব্যাহত ৰখাৰ লগতে অহা ৩১ আগষ্টত সন্থাৰ দ্বিবাৰ্ষিক সাধাৰণ সভাৰ লগত সংগতি ৰাখি তিনিদিনীয়াকৈ চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰা হ'ব বুলি জানিব দিয়ে।




Niyomiya Barta
27/6/16